# দৈনিক অসম

ডিব্ৰুগড়, বৃহস্পতিবাৰ, ২৬ ডিচেম্বৰ, ২০২৪ Dibrugarh, Thursday, December 26, 2024


ঃ নগেন শৰ্মা

জ্ঞেশ্বৰ শৰ্মা



ৰাম দাস

ৰে উদুলি-মুদুলি



নগৃহত

## কানৈ মহাবিদ্যালয়ত প্ৰশিক্ষণ কাৰ্যসূচী

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২৫ ডিচেম্বৰ ঃ** ডি এইচ এছ কানৈ মহাবিদ্যালয়ত সদৌ অসম কৰ্মচাৰী সংস্থাৰ ডিব্ৰুগড় জিলা, তিনিচুকীয়া জিলা আৰু কানৈ মহাবিদ্যালয় গোটৰ উদ্যোগত আৰু কানৈ মহাবিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত ২৭ ডিচেম্বৰত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ মহাবিদ্যালয়সমূহৰ লগতে কাষৰীয়া জিলাৰ কৰ্মচাৰীসকলৰ এক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই প্ৰশিক্ষণ কাৰ্যসূচী কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব। মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ মাজত দক্ষতা বিকাশৰ বাবে অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণ কাৰ্যসূচীত উচ্চ শিক্ষা বিভাগ, অসমৰ বিত্তীয় উপদেষ্টা নয়ন মণি শৰ্মা, এ এফ এছ আৰু আভ্যন্তৰীণ অডিটৰ প্ৰশান্ত কুমাৰ দাসে প্ৰশিক্ষণ প্ৰদান কৰিব। উদ্যোক্তা সমিতিয়ে ইচ্ছুক কৰ্মচাৰীসকলক ৪৩৫০৩৩৯৫২/ ৯৯৫৪৪৮১৩৬৭ নম্বৰত যোগাযোগ কৰিবৰ বাবে জনাইছে।

...মুখী দিশে গৈ থকা এ, এছ-০৭-পি-৭০৭৬ নম্বৰৰ এল্ট কে'টেন বাহনখনৰ চালকে তীব্ৰ গতিত গাড়ীখন চলাই গৈ অৱশেষত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ মাজৰ ডিভাইডাৰত প্ৰচণ্ড যোৰত খুন্দা মাৰি পথৰ ওপৰতে বাগৰি পৰে। ফলত গাড়ীখন বিধ্বস্ত হোৱাৰ লগতে চালকসহ দুজন আৰোহী সামান্যভাৱে আহত হয় যদিও প্ৰাণ ৰক্ষা পৰে। জানিব পৰা মতে, জামুগুৰি আৰক্ষীয়ে আহত তিনিওকে স্থানীয় চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে কাৰোৱেই আঘাত গুৰুতৰ নোহোৱাৰ বাবেই স্বাস্থ্য পৰীক্ষা কৰি প্ৰাথমিক চিকিৎসাৰ অন্তত আটাইকেইগৰাকীক ঘৰলৈ যাবলৈ দিয়ে।

সম্পা... সন্মিল... বিশিষ্ট... প্ৰসিদ্ধ... জুলি... শুভব... নাৰী-... পৰৱ... জনায়...

## চালক-হেণ্ডিমেনৰ ছু...

নিজা বাতৰি দিওঁতা

**জখলাবন্ধা, ২৫ ডিচেম্বৰ ঃ** কলিয়াবৰৰ ৰাঙলুত কালি নিশা প্ৰায় ৭ বজাত এক ভয়ংকৰ ঘটনা সংঘটিত হয়। যাত্ৰীবাহী 'ত্ৰিশূল' নামৰ নৈশবাছ এখনৰ চালক-হেণ্ডিমেনে ছুৰীৰে আঘাত কৰি গুৰুতৰভাৱে আহত কৰে এজন যুৱকক। উক্ত ঘটনাত গুৰুতৰভাৱে আহত হয় কলিয়াবৰৰ চুলেমান হুছেইন নামৰ যুৱকজন। জানিব পৰা মতে, গুৱাহাটীৰ পৰা উজনি অসম অভিমুখী এ এছ ০১ এল চি ৪৭১৭ নম্বৰৰ ত্ৰিশূল নামৰ যাত্ৰীবাহী নৈশবাছখনত গাড়ীৰ ভাৰাক লৈ কথাৰ কটাকটি হৈছিল গাড়ীখনৰ যাত্ৰী মুকেশ কুমাৰ শাহৰ লগত। কলিয়াবৰ... নং ৰাষ্ট্ৰীয় ঘাই... বাছৰপৰা নমাই... মুকেশক চালক-... সময়তে পিছফা... চুলেমান হুছেই... গাড়ীখনৰ চাল... আঘাত কৰে। ... জখলাবন্ধাৰ ক... চুলেমানক অনা...

## হাতীৰ আক্ৰমণত আহত বনকৰ্মী

নিজা বাতৰি দিওঁতা

**তামুলপুৰ, ২৫ ডিচেম্বৰ ঃ** তামুলপুৰ জিলাত শেহতীয়াকৈ বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি পাইছে। হাতী মানুহৰ সংঘাত ৰোধ কৰিবলৈ বন-বিভাগে যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। তামুলপুৰৰ চৰণ জংঘলত আজি বনৰীয়া হাতীৰ গচকত গুৰুতৰভাৱে আহত হয় এজন বনকৰ্মী। আহত বন কৰ্মীজনৰ নাম পিংকু বড়ো। এটা অসুস্থ বনৰীয়া হাতীক ট্ৰেংকুলাইজ কৰাৰ সময়তে হাতীটোৰ আক্ৰমণত আহত হয় বনকৰ্মী জন। লগে লগে সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰা হয় বনকৰ্মীগৰাকীক।

১ পৃষ্ঠাৰ পৰা